# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-01-2025
**Time :** 12-05 Hrs.

***Assamese Midday Bulletin***

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা অনুষ্ঠানত এই বছৰৰ ৰাষ্ট্ৰীয় ক্ৰীড়া বঁটাসমূহ প্ৰদান কৰিছে। বিশ্ব দবা চেম্পিয়ন দি গুকেশ, পেৰিছ অলিম্পিকত দুটাকৈ পদক বিজেতা মনু ভাকৰ, ভাৰতীয় হকী দলৰ অধিনায়ক হৰমনপ্ৰীত সিং আৰু পেৰিছ পেৰালিম্পিকত স্বৰ্ণ পদক বিজেতা প্ৰবীন কুমাৰক মেজৰ ধ্যানচন্দ খেলৰত্ন বঁটা প্ৰদান কৰা হৈছে। ক্ৰীড়াৰ ক্ষেত্ৰত বিগত ৪ বছৰত আগবঢ়োৱা অনন্য প্ৰদৰ্শনৰ বাবে খেলুৱৈসকলক এই বঁটা প্ৰদান কৰা হয়। একেদৰে ৩২ গৰাকী খেলুৱৈক অৰ্জুন বঁটা প্ৰদান কৰা হয়। অৰ্জুন বঁটা লাভ কৰা খেলুৱৈসকলৰ ভিতৰত – এথলিট জ্যোতি য়াৰাজি আৰু অন্নু ৰাণী, বক্সাৰ নীতু আৰু ছৱিটী, দবা খেলুৱৈ ৰন্তিকা আগৰৱাল, হকী খেলুৱৈ ছালিমা টেটে, অভিষেক, সঞ্জয়, জৰমনপ্ৰীত সিং আৰু সুখজিৎ সিং, পেৰা আৰ্চাৰী খেলুৱৈ ৰাকেশ কুমাৰ, পেৰা এথলিট প্ৰীতি পল, জীৱানজী দিপ্তী, অজিত সিং আৰু শচীন খিলাড়ী অন্যতম। প্ৰবীন এথলিট ছুচা সিং আৰু প্ৰবীন পেৰা সাতোঁৰবিদ মুৰলীকান্ত পেটকাৰক জীৱনজোৰা সাধনাৰ বাবে অৰ্জুন বঁটাৰে সন্মানিত কৰা হয়। একেদৰে পেৰা শ্বুটিঙৰ প্ৰশিক্ষক সুভাষ ৰানা, শ্বুটিং প্ৰশিক্ষক দীপালি দেশপাণ্ডে, হকীৰ প্ৰশিক্ষক সনদ্বীপ চাঙৱান, বেডমিণ্টন প্ৰশিক্ষক এছ্ মুৰুলীধৰণ আৰু ফুটবল প্ৰশিক্ষক আৰমাণ্ডো এগনেলো ক'লাকোক দ্ৰোণাচাৰ্য বঁটা প্ৰদান কৰা হয়।

০০০০

সুন্দৰৰ পূজাৰী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৭৫ সংখ্যক স্মৃতি দিৱস আজি ৰাজ্যজুৰি শিল্পী দিৱস হিচাপে পালন কৰা হৈছে। ১৯৫১ চনৰ আজিৰ দিনটোতে সব্যসাচী শিল্পীগৰাকীৰ দেহাৱসান ঘটিছিল। সমগ্ৰ অসমবাসীয়ে এই দিনটোক প্ৰতিবছৰে শিল্পী দিৱস হিচাপে পালন কৰি আহিছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি শিল্পী দিৱস উপলক্ষে ৰূপকোঁৱৰৰ সোঁৱৰণত ভালেমান কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু গোলাঘাট জিলা প্ৰশাসনৰ সহযোগত গোলাঘাটত এই দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানতে বিশিষ্ট সংগীত শিল্পী ড° অনিমা চৌধুৰী আৰু মুকুল ৰাভাক চলিত বৰ্ষৰ শিল্পী বঁটা প্ৰদান কৰা হ'ব। বিগত বৰ্ষৰ সন্মানীয় নটসূৰ্য্য ফণী শৰ্মা বঁটা বিশিষ্ট অভিনেত্ৰী ৰেবা ফুকনলৈ, সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকা বঁটা প্ৰবীন অভিনেত্ৰী হীৰা নেওগলৈ আৰু জননেতা ভীমবৰ দেউৰী বঁটা বিশিষ্ট সমাজকৰ্মী জলেশ্বৰ ব্ৰহ্মলৈ আগবঢ়োৱা হব। এই অনুষ্ঠানত বিত্ত, মহিলা আৰু শিশু কল্যান মন্ত্ৰী অজন্তা নেওগ, কৃষিমন্ত্ৰী অতুল বৰা আৰু সাংসদ কামাখ্যাপ্ৰসাদ তাচাৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ কথা।

শোণিতপুৰ জিলাৰ অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ অধীনৰ জ্যোতি ভাৰতীত আজি দিনজোৰা কাৰ্যসূচীৰে শিল্পী দিৱস পালন কৰা হৈছে। মাজুলীৰ বালিচাপৰি মিলিত কৃষ্টি সংঘৰ উদ্যোগত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে শিল্পী দিৱস পালন কৰা হৈছে। অনুষ্ঠানৰ অংশ হিচাপে জ্যোতিসংগীত আৰু সৃষ্টিশীল নৃত্য প্ৰতিযোগিতাৰ

আয়োজন কৰা হৈছে। জিলাখনৰ কমাৰগাঁও ৰূপালী যৱসংঘৰ উদ্যোগত আজি শিল্পী দিৱস উপলক্ষে জিলা ভিত্তিক জ্যোতিসংগীত প্ৰতিযোগিতা অনুষ্ঠিত হৈছে।

একেদৰে, সদৌ অসম ছাত্ৰ সন্থাই হোজাই জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু কাকী আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত কালিৰে পৰা দুদিনীয়াকৈ হোজাইত কেন্দ্ৰীয়ভাৱে শিল্পী দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ পূণ্য তিথিত শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীয়ে এটা বাৰ্তাত অসমীয়া সাহিত্য-সংস্কৃতিলৈ চিৰসুন্দৰৰ পূজাৰী আগৰৱালা দেৱৰ অৱদান প্ৰজন্মৰ পৰা প্ৰজন্মলৈ প্ৰবাহিত হৈ থাকিব বুলি উল্লেখ কৰে।

০০০০

গোলাঘাট জিলাৰ বোকাখাটৰ বালিজান নতুন গাওঁৰ বানেশ্বৰ মহন্ত সমন্বয় ক্ষেত্ৰত আজিৰ পৰা ৫ দিনীয়াকৈ অসম বৈদিক বৈষ্ণৱ মহাসভাৰ চতুৰ্দশ দ্বিবাৰ্ষিক ৰাজ্যিক অধিবেশনৰ আয়োজন কৰা হৈছে। এই অধিবেশনৰ অংশ হিচাপে যুৱ আৰু মহিলা সমাৰোহ, নাম সমাৰোহ, মুকলি সভা, শিশু আৰু চেমনীয়াৰ মাজত বৰগীত, সত্ৰীয়া নৃত্য, জ্যোতি সংগীত, বক্তৃতা প্ৰতিযোগিতাকে ধৰি কেইবাটাও কাৰ্যসূচী অনুষ্ঠিত হ'ব।

একেদৰে জিলাখনৰ মৰঙিৰ পুষ্পবিলাস বৈকুণ্ঠ ক্ষেত্ৰত আজিৰে পৰা ৩ ফেব্ৰুৱাৰীলৈ সদৌ অসম শিশু ভাওনা আৰু মুকলি শাখাৰ ভাওনা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

০০০০

তিনিচুকীয়া আৰক্ষীয়ে যোৱা নিশা ড্ৰাগছ বিৰোধী অভিযান চলাই নিষিদ্ধ ড্ৰাগছসহ তিনিজন সৰবৰাহকাৰীক আটক কৰিবলৈ সমৰ্থ হয়। তিনিচুকীয়া জিলা আৰক্ষীৰ নেতৃত্বত চলা এই অভিযানত হিজুগুৰিৰ এখন হোটেলত অভিযান চলাই ৪৩ গ্ৰাম সন্দেহজনক ড্ৰাগছসহ দুজনক আটক কৰে। আটকাধীন লোক দুজন ডিব্ৰুগড় জিলাৰ বিতু গোঁহাই আৰু নাটে এককা বুলি আৰক্ষীয়ে সদৰি কৰিছে। তিনিচুকীয়া থানা চাৰিআলিতো আৰক্ষীয়ে অভিযান চলাই ড্ৰাগছসহ আন এজনক আটক কৰে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই প্ৰতিদিনে পুৱা ৭ বাজি ৫৫ মিনিট আৰু সন্ধিয়া ৬ বজাত প্ৰচাৰ কৰি অহা বাতৰিত **উজনিৰ বাতৰি** বুলি নামকৰণ কৰাৰ বাবে কিছুসংখ্যক শ্ৰোতাই আপত্তি দৰ্শোৱা বাতৰি বিভাগৰ দৃষ্টিগোচৰ হৈছে। এই ক্ষেত্ৰত বাতৰি বিভাগে স্পষ্ট কৰিব বিচাৰে যে, ৰাজ্যখনক উজনি আৰু নামনি নামেৰে বিভাজন কৰাৰ কোনো উদ্দেশ্য বাতৰি বিভাগৰ নাই। আকাশবাণীৰ সঞ্চালকালয়ৰ নিৰ্দেশমৰ্মে পূৰ্বে আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰা প্ৰচাৰিত বাতৰি বুলেটিন বৰ্তমান গুৱাহাটী কেন্দ্ৰৰ পৰা প্ৰচাৰ কৰা হৈছে। সেয়েহে এই বাতৰিক **উজনিৰ বাতৰি**ৰূপে নামকৰণ কৰা হৈছিল। তৎসত্ত্বেও শ্ৰোতাসকলৰ অনুভূতিৰ প্ৰতি শ্ৰদ্ধা জনাই এতিয়াৰে পৰা এই দুয়োখন বাতৰি বুলেটিনক **উজনি অসমৰ বাতৰি**ৰূপে নামকৰণ কৰা হৈছে। এই বাতৰি বুলেটিনকো অসমৰ সকলো শ্ৰোতাই আদৰি ল'ব বুলি আশা কৰা হৈছে।

০০০০

সমাপ্ত